# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দেশৰ নিৰ্বাচন আয়োগে আজি প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰে। এইটো পৰ্যায়ত ১৭ খন ৰাজ্য আৰু চাৰিখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০২ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ দেশৰ যুৱশক্তিৰ উদ্ভাৱনী মনোভাৱৰ সহায়েৰে অভূতপূৰ্বভাৱে জাতিষ্কাৰ হৈ উঠিছে।

৩। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে দেশৰ আসন্ন অষ্টাদশ লোকসভা নিৰ্বাচনক সমগ্ৰ বিশ্বৰ সাম্প্ৰতিক কালৰ সৰ্ববৃহৎ গণতান্ত্ৰিক প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে।

৪। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুক খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছে।

আৰু

৫। ছুইছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেন, পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্তকে ধৰি কেইবাগৰাকীও আগশাৰীৰ খেলুৱৈ আজি প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে আজি প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰে। এইটো পৰ্যায়ত ১৭ খন ৰাজ্য আৰু চাৰিখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০২ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথমটো পৰ্যায়ত তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫ খনকৈ, বিহাৰৰ চাৰিখন, পশ্চিমবংগৰ তিনিখন, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ দুখনকৈ আৰু ছত্ৰিশগড়, মিজোৰাম, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এখনকৈ আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ২৭ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব ৩০ মাৰ্চ। অৱশ্যে বিহাৰৰ ক্ষেত্ৰত ২৮ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল। এইটো পৰ্যায়ত ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনটোত কৰ্তব্যত নিয়োজিত সংবাদ কৰ্মীসকলক ডাক বেলটযোগে ভোটদানৰ অনুমতি প্ৰদান কৰিছে। আয়োগে কালি এখন অধিসূচনাযোগে এই সিদ্ধান্ত ঘোষণা কৰে। উল্লেখযোগ্য যে পূৰ্বতে অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত লোকসকলে ডাক বেলটযোগে ভোটদান কৰিব পাৰিছিল। এতিয়াৰে পৰা সংবাদ কৰ্মীসকলেও এই সুবিধা লাভ কৰিব। আয়োগে ইয়াৰ বাবে এগৰাকী নডেল বিষয়াক দায়িত্ব প্ৰদানৰ ব্যৱস্থা কৰিছে।

ডাক বেলটযোগে ভোটদান কৰাৰ বাবে আগ্ৰহী, নিৰ্বাচন আয়োগৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সংবাদকৰ্মীসকলে এই ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰাৰ বাবে পোনপ্ৰথমে জিলা নিৰ্বাচন বিষয়া অথবা ৰিটাৰ্নিং বিষয়াৰ পৰা ইয়াৰ বাবে ১২ ডি নম্বৰৰ প্ৰ-পত্ৰ সংগ্ৰহ কৰিব লাগিব। এই প্ৰ-পত্ৰখন সংশ্লিষ্ট বিষয়াৰ ৱেবছাইটৰ পৰাও ডাউনলোড কৰিব পৰা হ'ব। ইয়াৰ পাছত তেওঁলোকে এই প্ৰ-পত্ৰখন নডেল বিষয়াৰ  প্ৰমাণ পত্ৰৰে সৈতে অধিসূচনা জাৰি হোৱাৰ পাছত ৫ দিনৰ ভিতৰত ৰিটাৰ্নিং বিষয়াৰ হাতত দাখিল কৰিব লাগিব। ডাকযোগে ভোটদানৰ এই ব্যৱস্থা সংশ্লিষ্ট সমষ্টিটোৰ নিৰ্ধাৰিত ভোটদানৰ দিনটোৰ ছদিন আগৰপৰা ভোটদানৰ তিনিদিন আগলৈ কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে ৰিটাৰ্নিং বিষয়াই ডাকযোগে ভোটদানৰ বাবে অনুমোদন জনোৱা কোনো ভোটদাতাই ভোটগ্ৰহণৰ দিনটোত ভোট কেন্দ্ৰত উপস্থিত হৈ  ভোটদান কৰিব নোৱাৰিব।

ooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ লগে লগে অসমত এইটো পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এইটো পৰ্যায়ত ৰাজ্যখনৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ বাবে অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। অসম, সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচন অনুষ্ঠিত হোৱা প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হ'ব। এইটো পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু লোকসভাত কংগ্ৰেছৰ উপ-দলপতি গৌৰৱ গগৈকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ ৰাজনীতিকে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত হ'বলগীয়া প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে।

ooooooo

আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে ৰাজ্যখনত বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদক সমালোচনা কৰি নিজ নিজ দলৰ প্ৰাৰ্থীক বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ নকৰিবলৈ অসম কংগ্ৰেছক আহ্বান জনাইছে। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি ভূপেন বৰাক ৰাজ্যখনত বিৰোধী পক্ষৰ মিত্ৰতা সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনাই, বিৰোধী ঐক্যৰ স্বাৰ্থত আপে গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ পাছতো কংগ্ৰেছ দলে এইক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ নকৰা বুলি তেওঁ নেতাগৰাকীক সমালোচনা কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ ষ্টাৰ্টআপ পৰিৱেশতন্ত্ৰ দেশৰ যুৱশক্তিৰ উদ্ভাৱনী মনোভাৱৰ সহায়েৰে অভূতপূৰ্বভাৱে জাতিস্কাৰ হৈ উঠিছে। ভাৰত মণ্ডপমত আজি ষ্টাৰ্টআপ মহাকুম্ভৰ তৃতীয় দিনা প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত ২০৪৭ বৰ্ষলৈ বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ় লৈ উঠিবলৈ কাম কৰি আছে। এই সময়ছোৱাত ষ্টাৰ্টআপ মহাকুম্ভ অতি গুৰুত্বপূৰ্ণ। তেওঁ কয় যে যোৱা দশকত ভাৰতে তথ্য আৰু প্ৰযুক্তি তথা ছফ্‌টৱেৰৰ ক্ষেত্ৰত কেনেদৰে অগ্ৰগতি লাভ কৰিছে, সেয়া প্ৰত্যক্ষ কৰা হৈছে। এতিয়া জনসাধাৰণে উদ্ভাৱন আৰু ষ্টাৰ্টআপ সংস্কৃতিৰ ধাৰা দেখিছে। শ্ৰী মোদীয়ে লগতে কয় যে ষ্টাৰ্টআপ ইণ্ডিয়াৰ পদক্ষেপে উদ্ভাৱনীমূলক ধাৰণাসমূহক এখন মঞ্চ প্ৰদান কৰিছে। ভাৰতৰ যুৱ চামে নিয়োগ বিচৰাৰ পৰিৱৰ্তে নিয়োগ সৃষ্টিকাৰী পথ বাছি লৈছে বুলিও শ্ৰী মোদীয়ে কয়। তেওঁ কয় যে বৰ্তমান ভাৰতত ১ লাখ ২৫ হাজাৰতকৈও অধিক ষ্টাৰ্টআপ আৰু ১১০ টা ইউনিকৰ্ণ আছে।

ooooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰে দেশৰ আসন্ন অষ্টাদশ লোকসভা নিৰ্বাচনক সমগ্ৰ বিশ্বৰ সাম্প্ৰতিক কালৰ সৰ্ববৃহৎ গণতান্ত্ৰিক প্ৰক্ৰিয়া বুলি অভিহিত কৰিছে। কোৰিয়াৰ ছিউলত আয়োজিত 'গণতন্ত্ৰ শীৰ্ষ সন্মিলন'ৰ তৃতীয় সংস্কৰণ উপলক্ষে ভাৰ্চুৱেল ব্যৱস্থাৰে দিয়া এটা বিবৃতিত শ্ৰী জয়শংকৰে কয় যে ভাৰতত সম্প্ৰতি ভিন ভিন পৰ্যায়ত নিৰ্বাচিত মহিলাৰ সংখ্যা হ'ল – ১৪ লাখ আৰু তৃণমূল পৰ্যায়ক সামৰি মহিলাৰ প্ৰতিনিধিত্বৰ এই সংখ্যা বিশ্বৰ যিকোনো স্থানৰ

তুলনাত সবাতোকৈ অধিক। লোকসভা আৰু বিধানসভা উভয়তে মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ হুকে চৰকাৰে গ্ৰহণ কৰা শেহতীয়া সিদ্ধান্তই দেশৰ ভৱিষ্যত গঢ় দিয়াৰ ক্ষেত্ৰত মহিলাসকলৰ বক্তব্যক যে কোনোপধ্যে উলাই কৰিব নোৱাৰি, সেই কথাকেই প্ৰতীয়মান কৰে বুলি তেওঁ মত প্ৰকাশ কৰে। তদুপৰি, ১৮ বছৰ বয়সৰ পৰা আৰম্ভ কৰি যুৱ চামক ভোটদানৰ অধিকাৰ প্ৰদানৰ জৰিয়তে যুৱ সম্প্ৰদায়ক দেশৰ ভৱিষ্যতৰ অধিকাৰী হিচাপে চৰকাৰে স্বীকৃতি দিয়াটোকেই সূচায় বুলি উল্লেখ কৰি শ্ৰী জয়শংকৰে কয় যে গণতান্ত্ৰিক পদ্ধতিৰ যিকোনো মত বিনিময়ৰ ক্ষেত্ৰত যুৱ সমাজৰ বক্তব্যক গুৰুত্ব দিয়াটো অপৰিহাৰ্য। আনহাতে, ইলেক্‌ট্ৰনিক ভোটদান যন্ত্ৰই গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ স্বচ্ছতা, কৰ্মক্ষমতা আৰু পৱিত্ৰতাৰ প্ৰতি দেশৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সমাগত লোকসভা নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা এন ডি এই চাৰিশখনতকৈও অধিক আসনত জয়লাভ কৰাৰ লগতে বিজেপিয়ে অকলেই ৩৭০ খন আসনৰ লক্ষ্য অতিক্ৰম কৰিব বুলি দৃঢ় বিশ্বাস ব্যক্ত কৰিছে। এটা ব্যক্তিগত টিভি চেনেলক দিয়া সাক্ষাৎকাৰত শ্ৰী শ্বাহে আজি কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে দৰিদ্ৰসকললৈ মৌলিক সা-সুবিধা আগবঢ়োৱাৰ জৰিয়তে তেওঁলোকৰ উন্নীতকৰণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় অৰ্থনীতিয়ে বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিৰ মৰ্যাদা লাভ কৰি বিগত দহটা বছৰত সাফল্যৰ নতুন পৰ্যায়লৈ গতি কৰিছে বুলি উল্লেখ কৰি, মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰত ভাৰতে তৃতীয় স্থান অধিকাৰ কৰিব বুলি তেওঁ দৃঢ়তাৰে আশা ব্যক্ত কৰে। দেশলৈ শান্তি ওভতাই অনাৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন কাৰ্যব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি শ্ৰী শ্বাহে কয় যে জম্মু আৰু কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু নক্সাল প্ৰভাৱিত এলেকাসমূহত সম্প্ৰতি হিংসাত্মক পৰিস্থিতি প্ৰায় ৭৫ শতাংশ হ্ৰাস পাইছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুক খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ মন্ত্ৰালয়ৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। এই দপ্তৰৰ মন্ত্ৰী তথা ৰাষ্ট্ৰীয় লোক জনশক্তি পাৰ্টীৰ মুৰব্বী পশুপতি কুমাৰ পৰশে কালি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰাৰ পাছত শ্ৰী ৰিজিজুক এই দায়িত্ব অৰ্পণ কৰা হয়। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে আজি প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ শ্ৰী পৰশৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে কিৰেণ ৰিজিজুৱে সম্প্ৰতি ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ দায়িত্ব পালন কৰি আছে।

০০০০০০০

ঝাৰখণ্ডৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে আজি তেলেংগানাৰ ৰাজ্যপাল হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঝাৰখণ্ডৰ ৰাজ্যপাল ডঃ তামিলিচাই সৌন্দৰ্যৰাজনে দুদিন পূৰ্বে পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত শ্ৰী ৰাধাকৃষ্ণণক অতিৰিক্ত দায়িত্বভাৰ প্ৰদান কৰিছিল। তেওঁক লগতে পুডুচেৰীৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। শ্ৰী ৰাধাকৃষ্ণণে আজি হায়দৰাবাদৰ ৰাজভৱনত এই দায়িত্বভাৰ গ্ৰহণ কৰে।

০০০০০০০

কেৰালাৰ ইডুক্কি জিলাত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এটি এবছৰীয়া শিশুসহ ৪ জন লোকৰ প্ৰাণহানি হৈছে। লোককেইজন আহি থকা চাৰিচকীয়া বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ২০০ ফুট দ খাৰৈত বাগৰি পৰাৰ ফলতেই শোকাৰহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্ত ১৩ জন লোকক অঞ্চলটোৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০

ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্য সেন, পি ভি সিন্ধু, কিদাম্বি শ্ৰীকান্ত, কিৰণ জৰ্জ আৰু প্ৰিয়াংশু ৰাজাৱাটকে ধৰি কেইবাগৰাকীও আগশাৰীৰ খেলুৱৈ আজি প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ পুৰুষৰ

ছিংগল্‌ছৰ কোৱালিফায়াৰ ৰাউণ্ডত ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণে ইতিমধ্যে এল ছালভাড'ৰৰ উৰিয়েল কাঞ্জুৰাক পৰাভূত কৰাৰ বিপৰীতে সমীৰ বাৰ্মাই ব্ৰাজিলৰ কোৰেলহো ডে অলিভেইৰাক পৰাস্ত কৰে। আনহাতে, মহিলাৰ ডাবল্‌ছ শাখাত ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃশা জলীৰ যুটিটো প্ৰি-কোৱাৰ্টাৰ ফাইনেলত উপনীত হয়।

০০০০০০০

# সমাপ্ত